**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-SEP-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১।	বিটিআৰত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ। বিজেপিৰ ২৮ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকাৰ পাছত আজি দ্বিতীয় তালিকা প্ৰকাশৰ সম্ভাৱনা। চিৰাং দুৱাৰ পৰিষদীয় সমষ্টিত হাগ্ৰামা মহিলাৰীক বিপিএফৰ প্ৰাৰ্থিত্ব।
২।	বৰাক উপত্যকাৰ বনভূমিতো উচ্ছেদ অভিযান চলোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।
৩।	কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ আজি ডিব্ৰুগড়ত তিনিটা প্ৰকল্প উদ্বোধন।
৪।	ভাৰতীয় স্বেচ্ছাসেৱী সংগঠন **ইডুকেট গাৰ্লছ**লৈ ২০২৫ বৰ্ষৰ ৰমণ মেগছেছে বঁটা।	**আৰু**
৫।	এছিয়া কাপ হকী প্ৰতিযোগিতাত জাপানক ৩-২ গ'লত পৰাস্ত কৰি ভাৰতৰ ছুপাৰ-ফ'ৰ পৰ্যায়ত প্ৰৱেশ।

০০০০০০

বিটিচি নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে বিটিআৰত প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। আটাইকেইটা ৰাজনৈতিক দলে পৰ্যায়ক্ৰমে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ পাছত প্ৰচাৰে বিশেষত্ব লাভ কৰিছে। অৱশ্যে প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱা সকলৰ মাজত ক্ষোভৰ সৃষ্টি হোৱাত দলীয় নেতাৰ বিৰুদ্ধে মুকলি বিদ্ৰোহো আৰম্ভ হৈছে। মিত্ৰদল ইউ পি পি এলৰ সৈতে বন্ধুত্বপূৰ্ণভাৱে প্ৰতিদ্বন্দ্বিতা কৰা বুলি ঘোষণা কৰা বিজেপিয়ে কালি সন্ধিয়া ২৮ জনীয়া দলৰ প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। দলটোৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কালি এখন সংবাদমেলযোগে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা ৰাজহুৱা কৰাৰ লগতে আজি বিজেপিৰ দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব বুলি সদৰি কৰিছে। সভাপতি শ্ৰীশইকীয়াই প্ৰকাশ কৰা মতে দলৰ নিৰ্বাচন সমিতিয়ে বিটিআৰৰ প্ৰতিটো সমষ্টিত বিজেপিৰ সাংগঠনিক শক্তি, জয়ৰ সম্ভাৱনা, ৰাজনৈতিক দৃষ্টিকোণ তথা সমীকৰণৰ সকলো কথা বিবেচনা কৰি প্ৰথমখন প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰে।

কংগ্ৰেছ দলে কালি পুনৰ ৯টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। দলটোৱে ইতিমধ্যে ৪০টা সমষ্টিৰ বাবে প্ৰাৰ্থী চূড়ান্ত কৰি তেওঁলোকৰ নাম ৰাজহুৱা কৰিছে।

ইপিনে ইউ পি পি এল দলে কালি ১৬টা পৰিষদীয় সমষ্টিৰ বাবে দ্বিতীয়খন প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰে। দলটোৱে প্ৰথমখন তালিকাত প্ৰকাশ কৰা ১৮ জন প্ৰাৰ্থীকে ধৰি বৰ্তমানলৈকে মুঠ ৩৬ জন প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। অসম গণ পৰিষদ দলেও কালি বিটিআৰ নিৰ্বাচনৰ ৪টা পৰিষদীয় সমষ্টিৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে।

বিপিএফে কালি সন্ধিয়া দলৰ তৃতীয়খন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। এই তালিকা অনুসৰি ১৪ নম্বৰ চিৰাং দুৱাৰ পৰিষদীয় সমষ্টিত বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য তথা দলটোৰ সভাপতি হাগ্ৰামা মহিলাৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখযোগ্য যে বিটিআৰ নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ দিন কাইলৈ অন্ত পৰিব।

রাজনৈতিক দলসমূহে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰাৰ পাছতে বিটিআৰত বিভিন্ন ৰাজনৈতিক দলৰ নেতৃত্বৰ বিৰুদ্ধে দলীয় কৰ্মকৰ্তাৰ মাজত ক্ষোভৰ সৃষ্টি হৈছে। টিকট বঞ্চিত একাংশই দলৰ নেতৃত্বৰ বিৰুদ্ধে ক্ষোভ উজাৰি ইতিমধ্যে বিদ্ৰোহ ঘোষণা কৰিছে।

বিটিআৰৰ নিৰ্বাচন সন্দৰ্ভত আমাৰ বাক্সাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে জনাইছে—

**ভইচ (দামোদৰ তালুকদাৰ)**

০০০০০০

ব্ৰহ্মপুত্ৰ উপত্যকাৰ দৰে বৰাক উপত্যকাতো বনভূমি দখল কৰা লোকসকলৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলোৱা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি শিলচৰৰ ৰংগীৰখাৰি ৰঁটাৰীত এখন জনসভাত অংশ লৈ এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে অবৈধভাৱে চৰকাৰী ভূমি দখল কৰা লোকৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে উচ্ছেদ অভিযান অব্যাহত ৰাখিব। বৰাক উপত্যকাৰ হিন্দু-বঙালী সম্প্ৰদায়ৰ সম্পূৰ্ণ সুৰক্ষা তথা সামগ্ৰীক বিকাশৰ দিশত ৰাজ্য চৰকাৰে কাম কৰি যাব বুলিও ড০ শৰ্মাই উল্লেখ কৰে। তেওঁ শিলচৰৰ কেপিটেল পইণ্টৰ পৰা ৰংগীৰখাৰিলৈ ৭০০ কোটি টকা ব্যয় সাপেক্ষে এখন উৰণ সেতু নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে। ইয়াৰ বাবে ভূমি অধিগ্ৰহণ সম্পৰ্কীয় কামকাজত সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ তেওঁ জনসাধাৰণক আহ্বান জনায়। ড০ শৰ্মাই কাছাৰ জিলাৰ উধাৰবন্দ আৰু লক্ষীপুৰৰ ১৯ খন গাঁও ডিমা হাচাওৰ সৈতে সংযুক্ত কৰাৰ বিষয়ত কেৱল চৰ্চা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

দুদিনীয়া ভ্ৰমণসূচীৰে বৰাকলৈ যোৱা মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি উধাৰবন্দৰ কাঁছাকান্তি মন্দিৰ দৰ্শন কৰাৰ লগতে কাঁছাকান্তি বিদ্যামন্দিৰৰ মুকলি মঞ্চৰ আধাৰশিলা স্থাপন কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি ঘুংগুৰৰ মেহেৰপুৰ ৰিং ৰোড পইণ্টত চিপাহী বিদ্ৰোহৰ অমৰ ছহিদ মংগল পাণ্ডেৰ নৱনিৰ্মিত প্ৰতিমূৰ্তিও উন্মোচন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি তেওঁ চিপাহী বিদ্ৰোহত বৰাক উপত্যকাৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে **মহাক্ৰান্তিকাৰী মংগল পাণ্ডে, শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱ** আৰু **এক্সপ্ল'ৰিং দ্য ভিজন অব পণ্ডিত দীনদয়াল উপাধ্যায়** শীৰ্ষক তিনিখন গ্ৰন্থ উন্মোচন কৰে। ড০ শৰ্মাই ৰাজ্যত শেহতীয়াকৈ অবৈধ বাংলাদেশী নাগৰিক তথা ৰোহিংগীয়াসকলক আটক কৰি পুনৰ ওভতাই পঠোৱাৰ সন্দৰ্ভত সাংবাদিকৰ আগত গুৰুত্বপূৰ্ণ মন্তব্য কৰে।

**(বাইট ঃ মুখ্যমন্ত্ৰী)**

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সম-জিলাত নৱনিৰ্মিত মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ কাৰ্যসূচীতো অংশ ল'ব।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ডিব্ৰুগড়ত তিনিটা প্ৰকল্প উদ্বোধন কৰিব। শ্ৰী সোণোৱালে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ড০ যোগীৰাজ বসু বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা ভৱন উদ্বোধন কৰিব। তেওঁ লগতে কেন্দ্ৰীয় চৰকাৰৰ সাংসদ পুঁজিৰে নিৰ্মাণ কৰা এটা শৰীৰ চৰ্চা কেন্দ্ৰ আৰু খোৱাপানী প্ৰকল্প উদ্বোধন কৰিব।

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি ডিব্ৰুগড়ত পি এম স্বনিধি আঁচনি শীৰ্ষক এটা অনুষ্ঠানত অংশ লৈ কয়, যে এই আঁচনিৰ মূল লক্ষ্য হৈছে পদপথৰ ব্যৱসায়ীসকলক সকাহ দিয়াৰ উপৰি মহিলা সৱলীকৰণৰ পথ প্ৰশস্ত কৰা। তেওঁ লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত সকলো স্তৰৰ ৰাইজে বিভিন্ন কল্যাণমূলক আঁচনিৰ জৰিয়তে লাভান্বিত হৈ বিকশিত আৰু আত্মনিৰ্ভৰ ভাৰত গঢ়াৰ যাত্ৰাৰ অংশীদাৰ হৈছে।

***(বাইট ঃ সোণোৱাল)***

শ্ৰী সোণোৱালে পি এম স্বনিধি আঁচনিৰ সুবিধা লাভ কৰা ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ সৈতেও মত বিনিময় কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কালি জিলাখনৰ মিলন নগৰত এটা জনঔষধী কেন্দ্ৰ মুকলি কৰে। তেওঁ কয়, যে জনসাধাৰণক

সুলভ মূল্যত জেনেৰিক ঔষধ যোগান ধৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী ভাৰতীয় জনঔষধী পৰিযোজনাৰ অধীনত এই কেন্দ্ৰসমূহ আৰম্ভ কৰা হৈছে। বৰ্তমান দেশত ১৭ হাজাৰ এনে কেন্দ্ৰই জনসাধাৰণক সুলভ মূল্যত ঔষধ প্ৰদান কৰি আহিছে বুলি শ্ৰী সোণোৱালে উল্লেখ কৰে।

oooooo

২০২৫-২৬ বিত্তীয় বৰ্ষৰ এপ্ৰিলৰ পৰা জুনলৈকে দেশৰ মুঠ ঘৰুৱা উৎপাদন, জি ডি পিৰ হাৰ ৭ দশমিক ৮ শতাংশলৈ বৃদ্ধি পাইছে। এই হাৰ বিগত তিনিমহীয়া চক্ৰতকৈ দশমিক ৪ শতাংশ বৃদ্ধি পাইছে। এই সন্দৰ্ভত উত্তৰ-পূব চাহ পৰিষদৰ উপদেষ্টা বিদ্যানন্দ বৰকাকতিয়ে এইদৰে কয় -

**বাইট**

oooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ বুডি হাবুং আৰু ন্যায়াধীশ এন উন্নীকৃষ্ণণ নায়াৰে আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰিব। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন ভৱনত দিনৰ ১০ বজাত হ'বলগীয়া এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰে তেওঁলোকক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰোৱাব।

oooooo

নাৰী শিক্ষাৰ অগ্ৰণী সংগঠন **ইডুকেট গাৰ্লছ**লৈ ২০২৫ বৰ্ষৰ ৰমণ মেগছেছে বঁটা আগবঢ়োৱা হৈছে। ৰমণ মেগছেছে এৱাৰ্ড ফাউণ্ডেচনে এটা বিবৃতিৰ জৰিয়তে নাৰী শিক্ষাত আগবঢ়োৱা অৱদানৰ বাবে ভাৰতীয় স্বেচ্ছাসেৱী সংগঠনটোলৈ এছিয়াৰ ন'বেল বঁটা হিচাপে খ্যাত এই বঁটা আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। এই বঁটা ঘোষণা কৰাৰ পাছতেই **ইডুকেট গাৰ্লছ**ৰ প্ৰতিষ্ঠাতা ছাফিনা হুছেইনে ভাৰতৰ প্ৰথমটো স্বেচ্ছাসেৱী সংগঠন হিচাপে মেগছেছে বঁটা লাভ কৰাটো দেশৰ ছাত্ৰীৰ বাবে ঐতিহাসিক মুহূৰ্ত বুলি মত প্ৰকাশ কৰিছে। সংগঠনটোৱে পৰৱৰ্তী দশকটোত ১ কোটি শিক্ষাৰ্থীৰ কাষলৈ যোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰি লোৱা বুলি উল্লেখ কৰি ইডুকেট গাৰ্লছৰ প্ৰতিষ্ঠাতাগৰাকীয়ে অসম, পশ্চিমবংগ আদি ৰাজ্যত প্ৰাথমিক শিক্ষা পৰ্যায়ত নামভৰ্তি সন্তোষজনক যদিও উচ্চ পৰ্যায়ত ড্ৰ'পআউটৰ সংখ্যা যথেষ্ট বেছি বুলি আক্ষেপ প্ৰকাশ কৰে। উল্লেখযোগ্য যে অহা ৭ নৱেম্বৰত চলিত বৰ্ষৰ ৰমণ মেগছেছে বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। এইবাৰ ইডুকেট গাৰ্লছৰ লগতে মালদ্বীপৰ পৰিৱেশ কৰ্মী ছাহিনা আলী আৰু ফিলিপাইনছৰ সমাজকৰ্মী ফ্লেভিয়ান' এন্টনিঅ' এল ভিলেনুয়েভালৈও ৰমণ মেগছেছে বঁটা আগবঢ়োৱা হৈছে।

oooooo

বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাত জাপানক ৩-২ গলত পৰাস্ত কৰি ভাৰতে ছুপাৰ-ফ'ৰ পৰ্যায়ত প্ৰৱেশ কৰিছে।

ভাৰতৰ হৈ মনদীপ সিঙে খেলখনৰ ৩ মিনিটতে প্ৰথমটো গ'ল দিয়ে। ভাৰতীয় দলৰ অধিনায়ক হৰমনপ্ৰীত সিঙে অনবদ্য প্ৰদৰ্শন অব্যাহত ৰাখি দুটাকৈ গ'ল দিয়ে। ভাৰতীয় দলৰ গল ৰক্ষক কৃষ্ণা বাহাদুৰ পাঠকে প্ৰতিপক্ষৰ কেইবাটাও গ'ল প্ৰতিহত কৰি প্ৰশংসনীয় প্ৰদৰ্শন আগবঢ়ায়। জাপানৰ হৈ কোচেই কাৱাবেয়ে দুটা গ'ল দিয়ে।

ভাৰতে আজি ৰাজগীৰৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া ষ্টেডিয়ামত কাজাখস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

oooooo

আমেৰিকাৰ প্ৰভূত্ববাদৰ বিৰুদ্ধাচাৰণ কৰি আৰু ভাৰত-চীনৰ ২৮০ কোটি জনসাধাৰণৰ স্বাৰ্থত চীনৰ ৰাষ্ট্ৰপতি আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী দুয়োগৰাকীয়ে টিয়াংজিনত বহু গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। অসমীয়া প্ৰতিদিন কাকতৰ লগতে এই বাতৰিটো আটাইবোৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক অসম কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বদেশী সামগ্ৰী ব্যৱহাৰৰ বাবে দেশৰ জনসাধাৰণক আহ্বান জনোৱা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

বে-চৰকাৰী সংস্থা ইডুকেট গাৰ্লছলৈ সন্মানীয় ৰমন মেগছেছে বঁটা ২০২৫ আগবঢ়োৱা হৈছে। বাতৰিটো দি আছাম ট্ৰিবিউন কাকতৰ লগতে কেইবাখনো কাকতে প্ৰকাশ কৰিছে।

অসমত দখলকাৰীৰ কবলত থকা চৰকাৰী ভূমি সম্পূৰ্ণৰূপে মুক্ত কৰাটো নিজৰ জীৱনকালটো চমু হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা এটা তাৎপৰ্যপূৰ্ণ মন্তব্যৰে দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে।

পূৰ্বতে মুখ্যমন্ত্ৰীৰ কোনো ৰিয়েলষ্টেট নাছিল, এটাই ৰিয়েলষ্টেট আছিল সেয়া হৈছে চৰিত্ৰ- কালি কটন বিশ্ববিদ্যালয়ত অনুষ্ঠিত গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষ অনুষ্ঠানত ভাগ লৈ বিশিষ্ট সমাজকৰ্মী যোগেন্দ্ৰ যাদৱে এই মত প্ৰকশ কৰে। বাতৰিটো দৈনকি অগ্ৰদূত কাকতৰ লগতে অন্যান্য কাকতেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

সমাগত বি টি চি নিৰ্বাচনত ৰাজনৈতিক দলসমূহে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰি সমগ্ৰ বি টি চি অঞ্চলত নিৰ্বাচনী পৰিৱেশ সৃষ্টি কৰিছে। বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে।

স্বাস্থ্য বিমানৰ অধীনত হাস্পতালত কেছলেছ ব্যৱস্থা অৰ্থাৎ নগদ বিহীন চিকিৎসা সেৱা আগৰ দৰেই বৰ্তি থাকিব। এই বাতৰি আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

মহানগৰীৰ ড্ৰাগছ সেৱনকাৰী মহিলাৰ মৃতদেহ নিউ জলপাইগুৰিত উদ্ধাৰ হোৱাৰ ছাঞ্চল্যকৰ বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কাশ্মীৰৰ পৰা বৰপেটালৈ অহা ১৩ জনীয়া ৰোহিংগা লোকক স্থানীয় ৰাইজৰ সহায়ত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত